**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-DEC-2025
**Time :** 1205 Hrs

***Assamese 1205 PM Bulletin***
***Headlines***

--------------------------------

১।	অসমত ভোটাৰ তালিকাৰ পুংখানুপুংখ সংশোধনীৰ পৰিৱৰ্তে সাধাৰণভাৱে কেৱল সংশোধনীৰহে ব্যৱস্থা কৰাক লৈ ৰাজ্যসভাত নিৰ্বাচন আয়োগক সাংসদ অজিত কুমাৰ ভূঞাৰ সমালোচনা।

২।	মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ডিব্ৰুগড় জিলাত **বিকাশৰ নতুন প্ৰভাত** কাৰ্যসূচীত অংশগ্ৰহণ।

৩।	দীপৰ বিললৈ অহা বনৰীয়া হাতীৰ প্ৰাণ ৰক্ষাৰ বাবে ৪ দশমিক ৭-০ কিলোমিটাৰ দৈৰ্ঘ্যৰ দুশৰীয়া এলিভেটেড কৰিড'ৰ নিৰ্মাণৰ কাম আৰম্ভ।

**আৰু**

৪।	নগাঁৱৰ ধিং ৰাজহ চক্ৰৰ দখলিকৃত চৰকাৰী ভূমিত উচ্ছেদ অভিযান অব্যাহত।

oooo

অসমত ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগে গ্ৰহণ কৰা ভূমিকাক সাংসদ অজিত কুমাৰ ভূঞাই সমালোচনা কৰিছে।ভালেমান সংবেদনশীল বিষয়ক লৈ দেশৰ আন ৰাজ্যৰ তুলনাত অসমৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগে বৈষম্যমূলক নীতি গ্ৰহণ কৰা বুলি অভিযোগ কৰি অসমৰ পৰা নিৰ্বাচিত ৰাজ্যসভাৰ সাংসদগৰাকীয়ে এই সন্দৰ্ভত বিশেষকৈ ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনীৰ প্ৰসংগ উল্লেখ কৰে। দেশৰ আন **১২** খন ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী অৰ্থাত SIR ৰ ব্যৱস্থা কৰাৰ বিপৰীতে অসমৰ ক্ষেত্ৰত পুংখানুপুংখ সংশোধনীৰ পৰিবৰ্তে কেৱল ভোটাৰ তালিকাৰ বিশেষ সংশোধনী অৰ্থাত SRৰ ব্যৱস্থা কৰাক লৈ তেঁও ক্ষোভ প্ৰকাশ কৰে। এই ব্যৱস্থাৰ জৰিয়তে ঐতিহাসিক অসস চুক্তিকো উলংঘা কৰা হৈছে বুলি অভিযোগ কৰি সাংসদগৰাকীয়ে কয় যে ইয়াৰ ফলত মাত্ৰ দুটা নিশা অসমত অতিবাহিত কৰা লোকেও ৰাজ্যখনৰ পৰা ভোটদানৰ অধিকাৰ লাভ কৰিব। এই কাৰ্যক ভোটাৰ তালিকাত বহিঃৰাজ্যৰ লোকৰ নাম অন্তৰ্ভূক্তিৰ চক্ৰান্ত বুলি অভিহিত কৰি তেঁও লগতে অসমত নিৰ্বাচন আয়োগৰ বিশ্বাসযোগ্যতা হ্ৰাস পাইছে বুলিও অভিযোগ কৰে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় জিলাত **বিকাশৰ নতুন প্ৰভাত** কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। এই কাৰ্যসচীৰ অধীনত তেওঁ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰাৰ লগতে আত্মসহায়ক গোটৰ মহিলাসকলক চেক বিতৰণ কৰিব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই টিংখাং বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ২৩ হাজাৰ ৭৯১ গৰাকী মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ কৰিব। তদুপৰি তেওঁ মৰাণত ১২ কোটি ৩২ লাখ টকা ব্যয়ৰে নিৰ্মাণ হোৱা অভয়পুৰ গ্ৰাম্য ক্ৰীড়া প্ৰকল্প উদ্বোধন কৰিব। আনহাতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই তৃতীয় পৰ্যায়ৰ অসম মালাৰ অধীনত ৩৬ কোটি ৯২ লাখ টকা ব্যয়ৰে মৰাণ-নিতাই পথৰ মৰাণ টাউনক্লাবৰ পৰা গজপুৰীয়া লুকুমাৰী অংশৰ ৯ দশমিক ৩ কিলোমিটাৰ পথৰ উন্নীতকৰণ আৰু বহলীকৰণৰ আধাৰশিলা স্থাপন কৰিব। একেদৰে তেওঁ ১৯ কোটি ৫০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া টিংখাং সমজিলা আয়ুক্তৰ কাৰ্যালয় আৰু মৈত্ৰী আঁচনিৰ অধীনত ২ কোটি ১৫ লাখ টকাৰে নিৰ্মাণ কৰিবলগীয়া মৰাণ আৰক্ষী থানা ভৱনৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০

ৰে'ল মন্ত্ৰালয়ে দেশী-বিদেশী পৰিভ্ৰমী পক্ষীৰ বিচৰণথলী হিচাপে পৰিচিত দীপৰ বিলৰে অহা বনৰীয়া হাতীৰ প্ৰাণ ৰক্ষাৰ বাবে ৪ দশমিক ৭-০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা দুই লেনযুক্ত এলিভেটেড কৰিড'ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। এইখনেই হ'ব উত্তৰ পূৰ্বাঞ্চলত প্ৰথমখন ৰে'লৰে এলিভেটৰ। উত্তৰ-পূব সীমান্ত ৰে'লৰে কৰ্তৃপক্ষই চকৰ্দো-মাটিয়া অঞ্চলৰ মাজেৰে পাৰ হৈ যোৱা কামাখ্যা-যোগীঘোপা সংযোগী ৰে'লপথত নিৰ্মাণ কৰিবলগীয়া এই এলিভেটেড কৰিড'ৰ আৰু ২১ ফুট উচ্চতাত এখন ৰে'লৰে উৰণ সেঁতু নিৰ্মাণৰ বাবে ইতিমধ্যে জৰীপ কাৰ্য আৰম্ভ কৰিছে।

০০০০০০

গুৱাহাটী মহানগৰীৰ খাৰঘুলিৰ জয়পুৰৰ ব্ৰহ্মপুত্ৰত যোৱা ১০ ডিচেম্বৰত সন্ধানহীন হোৱা ৫ জন লোকৰ ভিতৰত তৃতীয়জন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। অৱশ্যে খাৰঘূলিত উদ্ধাৰ কৰা মৃতদেহটো এই পৰ্যন্ত চিনাক্ত কৰা হোৱা নাই। বাকী দুজন এতিয়ালৈকে সন্ধান লাভ কৰিব পৰা হোৱা নাই। উল্লেখযোগ্য যে জয়পুৰত থকা ভক্তি কুটিৰ নামৰ এটা আধ্যাত্মিক প্ৰতিষ্ঠানলৈ যোৱা ৯ জন লোক ব্ৰহ্মপুত্ৰলৈ নামি যোৱাৰ পাছত ইয়াৰে ৪ জনে কথমপি প্ৰাণ ৰক্ষা কৰি উঠি আহে যদিও ৫ জন লোক ব্ৰহ্মপুত্ৰত উটি যায়। ইয়াৰ পাছৰে পৰা এছ ডি আৰ এফ আৰু এন ডি আৰ এফে অভিযান চলাই তিনিজনৰ মৃতদেহ উদ্ধাৰ কৰে। উদ্ধাৰকাৰী দলে শনিবাৰে এজন আৰু সোমবাৰে আন এজন লোকৰ মৃতদহে উদ্ধাৰ কৰিছিল।

০০০০০০

নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ দখলিকৃত চৰকাৰী ভূমিত আজি দ্বিতীয় দিনাও উচ্ছেদ অভিযান অব্যাহত আছে। আজি ৰৌমাৰী বিল, মৈৰাধবজ, বেচামাৰী, শালমৰাবৰি, অকৰাবৰি আৰু গেলেকনি বিলৰ ভূমি দখলমুক্ত কৰাৰ বাবে অভিযান চলোৱা হৈছে। এই অভিযানৰ বাবে তিনি শতাধিক আৰক্ষীৰ লোক নিয়োগ কৰা হৈছে। আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ বৃহৎ দলে উচ্ছেদ হৈ থকা স্থানসমূহ ঘেৰি ৰাখিছে যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা হ'ব নোৱাৰে। এই অভিযান ১৯ আৰু ২০ ডিচেম্বৰতো চলিব। উল্লেখযোগ্য যে কালি পুৱা ৮ বজাত আৰম্ভ কৰা এই অভিযানত টুকটুকী, শালনাবাৰী আৰু আহোম গাঁৱৰ অবৈধভাৱে পুখুৰী

খনন কৰা চৰকাৰী ভূমি দখলমুক্ত কৰা হয়। অঞ্চলটোত বহুলোকে কেইবা বছৰ ধৰি বৃহৎ পুখুৰী খনন কৰি অবৈধভাৱে মাছৰ ব্যৱসায় কৰি আহিছে। কালিৰ এই অভিযান শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। কালি এই অভিযানস্থলীত জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ লগতে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে।

০০০০০

মাজুলীৰ টিকিৰিয়াই চাপৰিত দুদিনীয়াকৈ পেৰা এছ এফ গোটৰ অনুশীলন অনুষ্ঠিত হৈছে। অনুশীলনৰ অংশ হিচাপে ব্ৰহ্মপুত্ৰৰ বালিচৰত বায়ুসেনা বাহিনীৰ পেৰা কামাণ্ডোৱে পেৰাচুটৰ সহায়ত অৱতৰণ কৰে।

০০০০০০

বন বিভাগে ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পৰ দাঁতিকাষৰীয়া কৌপাতি চাহ বাগিছাত বিগত প্ৰায় ১০ দিন ধৰি আতংকৰ সৃষ্টি কৰা বাঘিনীজনীক পিঞ্জৰাবদ্ধ কৰিবলৈ সমৰ্থ হৈছে। মঙলদৈৰ বন্যপ্ৰাণী সংমণ্ডলৰ বিষয়া প্ৰদীপ্ত বৰুৱাই জনোৱা মতে পিঞ্জৰাবদ্ধ বাঘিনীজনীক প্ৰথমে গুৱাহাটীৰ চিৰিয়াখানালৈ অনা হ'ব আৰু স্বাস্থ্য পৰীক্ষাৰ অন্তত ৰাষ্ট্ৰীয় উদ্যানলৈ নিয়া হ'ব নে চিৰিয়াখানাতে ৰখা হ'ব সেই সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব। বাঘিনীজনীয়ে যোৱা ১০ দিন ধৰি কৌপাতি চাহ বাগিছাত মুক্ত বিচৰণ কৰাৰ লগতে পোহনীয়া ছাগলী নিধন কৰি ত্ৰাসৰ সৃষ্টি কৰিছিল।

০০০০০০

কাছাৰ জিলা প্ৰশাসনে জনসাধাৰণ সুৰক্ষা আৰু আইন-শৃংখলা বৰ্তাই ৰখাৰ উদ্দেশ্যে জিলাখনৰ ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত ততালিকে কাৰ্যকৰী হোৱাকৈ কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। জিলাখনৰ আয়ুক্ত মৃদুল যাদৱে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত এই নিৰ্দেশ জাৰি কৰিছে। দুমাহলৈ বলবৎ হ'বলগীয়া এই নিৰ্দেশ অনুসৰি সীমান্তৰ ১ কিলোমিটাৰ এলেকাত সূৰ্যাস্তৰ পৰা সুৰ্যোদয়লৈকে জনসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰা হৈছে। ইয়াৰ উপৰি বৰাক নদীৰ জলপথ আৰু নৈপৰীয়া অঞ্চলসমূহত চলাচল যাতায়ত আৰু মাছ ধৰাৰ ক্ষেত্ৰত কেতবোৰ বাধা-নিষেধ আৰোপ কৰা হৈছে। একেদৰে সীমামূৰীয়া পাঁচ কিলোমিটাৰ এলেকাত নিশাৰ ভাগত চেনি, চাউল, ঘেঁহু আৰু খোৱা তেলকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰী পৰিবহনতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে চৰকাৰী কামত নিয়োজিত কৰ্মচাৰীসকলক এই নিষেধাজ্ঞাৰ আওতাৰ পৰা বাহিৰত ৰখা হৈছে।

০০০০০০

মঙলদৈৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান জীপচি গীল্ডৰ উদ্যোগত দুদিনীয়াকৈ অনুষ্ঠিত পৰম্পৰাগত অসমীয়া পুথি চিত্ৰ কৰ্মশালাৰ আজি সামৰণি পৰে। কৰ্মশালাত ৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত পুথি চিত্ৰশিল্পী সুজিত দাসে সমল ব্যক্তি হিচাপে প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২০ ডিচেম্বৰত বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ নতুন টাৰ্মিনেল মুকলি কৰাৰ লগতে গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সন্ধিয়া বৰঝাৰ বিমান বন্দৰ ভ্ৰমণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত এইকথা

সদৰি কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা মতে অহা ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে বিয়লি ২ বাজি ৪৫ মিনিটত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰিব। ইয়াৰ পাছত তেওঁ বিমানবন্দৰৰ নতুন টাৰ্মিনেল মুকলি কাৰ্যসূচীৰ লগত সংগতি ৰাখি আয়োজন কৰা অনুষ্ঠানৰ অংশ হিচাপে বিমানবন্দৰৰ চৌহদৰ ভিতৰতে ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উদ্বোধন কৰিব।

oooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা ১৯ ডিচেম্বৰত আহমেদাবাদত অনুষ্ঠিত হ'ব।

oooooo

**সমাপ্ত**